**অসম বিধান সভা**
**তৰাচিহ্নিত প্ৰশ্ন নং-৭০**
**উত্তৰ দিয়াৰ তাৰিখ-০৯.০৭.২০২৬**

**বিষয়: পানী নিষ্কাশন, আৱৰ্জনা ব্যৱস্থাপনা আৰু যান-জঁট সমস্যা।**
**বিধায়ক : ড° তপন দাস ।**

**প্ৰশ্ন**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:
**(ক)** ডিমৰীয়া সমষ্টিৰ মহানগৰ সংলগ্ন অঞ্চলসমূহত জলাবদ্ধতা দূৰ কৰিবলৈ চৰকাৰে কি স্থায়ী পৰিকল্পনা গ্ৰহণ কৰিছে?

**(খ)** দ্ৰুত নগৰায়নৰ ফলত সৃষ্টি হোৱা পানী নিষ্কাশন, আৱৰ্জনা ব্যৱস্থাপনা আৰু যান-জঁট সমস্য সমাধানৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**উত্তৰ**

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে শ্ৰী কৌশিক ৰায় দেৱে উত্তৰ দিবঃ

**ক)** ডিমৰীয়া সমষ্টিৰ মহানগৰ সংলগ্ন অঞ্চলসমূহত জলাবদ্ধতা দূৰ কৰিবলৈ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত গুৱাহাটী পৌৰ নিগমে ৫৭ নম্বৰ ৱাৰ্ডত ২ টা Silt Chamber নিৰ্মাণ কৰা হৈছে ।

এই বিভাগৰ অধীনত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই (GMDA) গ্ৰহণ কৰা স্থায়ী পৰিকল্পনাসমূহ হ'ল-

১) জল শক্তি মন্ত্ৰালয়ে (MoJS) PMKSY-HKKP (RRR) আঁচনিৰ অধীনত "গুৱাহাটী, অসমৰ শিলসাকো বিলৰ পুনৰুজ্জীৱন আৰু বায়'ৰিমেডিয়েচন" প্ৰকল্পখন ২৩৭কোটি টকাৰ অনুমোদিত ব্যয়সহ অন্তৰ্ভুক্ত কৰাৰ অনুমোদন প্ৰদান কৰিছে।

২) বৰ্তমান, GMDA ৰ জৰিয়তে "PMKSY-HKKP (RRR) ৰ অধীনত শিলসাঁকো গুৱাহাটী অসমৰ বিলৰ পুনৰুজ্জীৱিতকৰণ (Rejuvenation) আৰু বায়'ৰেমেডিয়েচন (Bioremediation) কাৰ্যসূচী" ৰ কাম লোৱা হৈছে।

**খ)** দ্ৰুত নগৰায়নৰ ফলত সৃষ্টি হোৱা পানী নিষ্কাশন দূৰ কৰাৰ বাবে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰঅধীনত গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা ডিজেল চালিত পানী উলিওৱা পাম্প ব্যৱহাৰ কৰা হয়। লগতে সময়ে সময়ে নলাৰ বোকা নিস্কাসন কৰা হয়।

আৱৰ্জনা ব্যৱস্থাপনাৰ বাবে ডিমৰীয়া সমষ্টিত "পাথৰকুৱাৰী ৰদালি" নামৰ বেচৰকাৰী অনুষ্ঠানটোক দ্বায়িত্ব অৰ্পণ কৰা হৈছে। তাৰোপৰি পাথৰকুৱাৰী অঞ্চলত এটা জাবৰৰ পৃথকীকৰণ কেন্দ্ৰ আছে।

গুৱাহাটী চহৰৰ বৰষুণৰ পানী নিষ্কাশনৰ বাবে এই বিভাগৰ অধীনত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই (GMDA) তলত দিয়া পাম্পিং ষ্টেচন আৰু পাম্পসমূহ পৰিচালনা কৰে :

শিলসাঁকো বিল ষ্টেচন:
পাম্পৰ সংখ্যা: ২ টা, ক্ষমতা: প্ৰতিটোৰে ১৭০০ LPS।

বোন্দা পাম্পিং ষ্টেচন:
পাম্পৰ সংখ্যা: ৪ টা, ক্ষমতা: প্ৰতিটোৰে ১৭০০ LPS।

নুনমাটি পাম্পিং ষ্টেচন:
পাম্পৰ সংখ্যা: ৪ টা, ক্ষমতা: প্ৰতিটোৰে ১০০০ LPS।

সৰুমটৰীয়া অঞ্চল:
সৰুমটৰীয়া অঞ্চলৰ পৰা বৰষুণৰ পানী নিষ্কাশন কৰিবলৈ দূৰদৰ্শন কলনী অঞ্চলৰ ওচৰত নিয়মীয়া ব্যৱধানত ২ (দুটা) ট্ৰলীত সংলগ্ন (trolley mounted) পাম্প চলোৱা হয়।